**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-SEP-2025
**Time :** 0900  Hrs

***Assamese Morning Bulletin***
***Headlines***
---------------------

১।  দুদিনীয়া ভ্ৰমণসূচীৰে কাইলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উত্তৰ-পূব ভ্ৰমণ। প্ৰধানমন্ত্ৰীগৰাকীক আদৰাৰ বাবে বিভিন্ন ঠাইত প্ৰস্তুতি সম্পূৰ্ণ।
২।  প্ৰধানমন্ত্ৰীৰ কাইলৈ আইজলৰ নিকটৱৰ্তী চাইৰাঙৰ পৰা তিনিখন এক্সপ্ৰেছ ৰে'লগাড়ীৰ যাত্ৰাৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ।
৩।  বি টি চি নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান অব্যাহত। চিৰাঙত আজি মুখ্যমন্ত্ৰীৰ নিৰ্বাচনী প্ৰচাৰ।
৪।  ৰাজ্যজুৰি আজি মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ ৪২৯ সংখ্যক তিৰোভাৱ তিথি পালন।

*আৰু*

৫।  এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ যোৱা নিশা অনুষ্ঠিত এখন খেলত হংকঙৰ বিৰুদ্ধে বাংলাদেশৰ ৭ উইকেটত জয়লাভ।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দুদিনীয়া অসম ভ্ৰমণৰ কাৰ্যসূচী চূড়ান্ত হৈছে। প্ৰধানমন্ত্ৰীগৰাকীক আদৰাৰ বাবে বিভিন্ন ঠাইত প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই শ্ৰী মোদীৰ অসম ভ্ৰমণ সন্দৰ্ভত কালি দিছপুৰৰ লোকসেৱা ভৱনত মন্ত্ৰী, বিধায়ক আৰু ৰাজ্য চৰকাৰৰ উচ্চ পদস্থ বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত মুখ্যমন্ত্ৰীয়ে নিৰাপত্তা ব্যৱস্থাৰ পৰ্যালোচনা কৰাৰ উপৰি শ্ৰী মোদীয়ে অংশগ্ৰহণ কৰিবলগীয়া অনুষ্ঠান নিখুঁতভাৱে আয়োজনৰ বাবে যাৱতীয় নিৰ্দেশনা দিয়ে। নুমলীগড়তো প্ৰধানমন্ত্ৰী মোদীক আদৰাৰ বাবে পূৰ্ণ প্ৰস্তুতি চলিছে। মন্ত্ৰী অতুল বৰাই কালি নুমলীগড়ত প্ৰধানমন্ত্ৰীয়ে অংশগ্ৰহণ কৰিবলগীয়া ৰাজহুৱা সভাৰ বিভিন্ন দিশ সন্দৰ্ভত আলোচনা কৰে। তেওঁ এই অনুষ্ঠান সফল কৰি তোলাৰ বাবে জনসাধাৰণৰ অংশগ্ৰহণ নিশ্চিত কৰাৰ লগতে সকলোকে যাৱতীয় কামকাজ নিষ্ঠাৰে পালন কৰিবলৈ আহ্বান জনায়। মঙলদৈত প্ৰধানমন্ত্ৰীয়ে অংশগ্ৰহণ কৰিবলগীয়া অনুষ্ঠানৰ প্ৰস্তুতি সন্দৰ্ভত এয়া আমাৰ দৰঙৰ সংবাদদাতা ময়ুখ গোস্বামী–

*(বাইট)*

উল্লেখযোগ্য যে, শ্ৰী মোদী কাইলৈ সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে গুৱাহাটীৰ খানাপাৰাত আয়োজিত অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। এই অনুষ্ঠানত ৰাজ্যৰ এহেজাৰৰো অধিক শিল্পীয়ে ভূপেন হাজৰিকাৰ ১৪টা গীত আৰু কবিতা পৰিৱেশন কৰিব। এই অনুষ্ঠানতে শিল্পীগৰাকীৰ এটি স্মাৰক মুদ্ৰা আৰু এখন জীৱনী গ্ৰন্থও উন্মোচন কৰা হ'ব।

শ্ৰী মোদীয়ে পৰহিলৈ নুমলীগড় শোধনাগাৰত বিশ্বৰ প্ৰথমটো বাঁহভিত্তিক জৈৱ ইথানল প্ৰকল্প উদ্বোধন কৰিব। প্ৰধানমন্ত্ৰীৰ ভ্ৰমণক সন্মান জনাই নুমলীগড় আৰু মণিপুৰৰ মোৰে সংযোগী ৩৩৯ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা নুমলীগড় শোধনাগাৰক সংযোগ কৰা ২ দশমিক ২ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথছোৱা প্ৰধানমন্ত্ৰী নিম আলিবাট হিচাপে গঢ়ি তোলাৰ উদ্দেশ্যে ছশ নিম পুলি ৰোপণৰ ব্যৱস্থা কৰা হৈছে। খুমটাইৰ বিধায়ক মৃণাল শইকীয়াৰ উদ্যোগত এই

প্ৰচেষ্টা লোৱা হৈছে। শ্ৰীমোদীয়ে ইয়াৰ পূৰ্বে মঙলদৈত প্ৰায় ৫৭৬ কোটি টকা ব্যয়েৰে দৰং চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ লগতে এখন জি এন এম স্কুল আৰু এখন নাৰ্ছিং মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিব। তেওঁ লগতে প্ৰায় ৭ হেজাৰ কোটি টকা ব্যয়েৰে ব্ৰহ্মপুত্ৰৰ ওপৰত নাৰেঙ্গী-কুৰুৱা সংযোগী দলং আৰু গুৱাহাটী ৰিং ৰোড প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰিব।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ মিজোৰামৰ ৰাজধানী আইজলৰ নিকটৱৰ্তী চাইৰাঙৰ পৰা নতুন দিল্লীৰ মাজত সাপ্তাহিক ৰাজধানী এক্সপ্ৰেছ, চাইৰাং আৰু গুৱাহাটীৰ মাজত দৈনিক এক্সপ্ৰেছ আৰু চাইৰাং আৰু ক'লকাতাৰ মাজত ত্ৰিসাপ্তাহিক এক্সপ্ৰেছ ৰে'লগাড়ীৰ যাত্ৰা আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰিব। চাইৰাং আৰু দিল্লীৰ আনন্দ বিহাৰ ষ্টেচনৰ মাজত সপ্তাহত এদিনকৈ চলিবলগীয়া ২০৫০৭ আৰু ২০৫০৮ নম্বৰৰ এই ৰাজধানী এক্সপ্ৰেছখনে চাইৰাঙৰ পৰা আনন্দ বিহাৰলৈ দুহেজাৰ ৫১০ কিলোমিটাৰ দূৰত্ব ৪৩ ঘণ্টা ২৫ মিনিটত সম্পূৰ্ণ কৰিব। নিয়মীয়া যাত্ৰাত এই ৰে'লগাড়ীখন প্ৰতি শুকুৰবাৰে বিয়লি ৪ বাজি ৩০ মিনিটত চাইৰাঙৰ পৰা যাত্ৰা কৰি দেওবাৰে দিনৰ ১০ বাজি ৫০ মিনিটত আনন্দ বিহাৰ পাবগৈ আৰু ওভতনি যাত্ৰা দেওবাৰে সন্ধিয়া ৭ বাজি ৫০ মিনিটত যাত্ৰা কৰি মঙলবাৰে বিয়লি ৩ বাজি ১৫ মিনিটত চাইৰাং পাবহি। গুৱাহাটী আৰু চাইৰাঙৰ মাজত প্ৰৱৰ্তন কৰা ১৫৬০৯ আৰু ১৫৬১০ নম্বৰৰ দৈনিক ৰে'লগাড়ীখনে সন্ধিয়া ৭ বজাত গুৱাহাটীৰ পৰা যাত্ৰা কৰি পিচদিনা পুৱা চাৰে ৮ বজাত চাইৰাং পাবগৈ। একেদৰে, চাইৰাঙৰ পৰাও সন্ধিয়া ৭ বজাত যাত্ৰা কৰি পিচদিনা পুৱা চাৰে ৮ বজাত গুৱাহাটী পাবহি। আনহাতে, ১৩১২৫ আৰু ১৩১২৬ নম্বৰৰ ত্ৰিসাপ্তাহিক ৰে'লগাড়ীখনে চাইৰাং আৰু ক'লকাতাৰ মাজৰ এহেজাৰ ৫১২ কিলোমিটাৰ দূৰত্ব ৩১ ঘণ্টাত সম্পূৰ্ণ কৰিব বুলি উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ এখন বিজ্ঞপ্তিত কোৱা হৈছে।

০০০০০০

প্ৰধানমন্ত্ৰীৰ অসম, মণিপুৰ আৰু মিজোৰাম ভ্ৰমণ সন্দৰ্ভত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত প্ৰচাৰ কৰিব। জ্যেষ্ঠ সাংবাদিক আৰু ৰাজনৈতিক বিশ্লেষকে অংশগ্ৰহণ কৰিবলগীয়া এই অনুষ্ঠানত আকাশবাণীৰ আইজল আৰু ইম্ফলৰ সংবাদদাতা দুগৰাকীও টেলিফোনযোগে সংযুক্ত হ'ব। অনুষ্ঠানটোৰ পৰিকল্পনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০

আসন্ন বিটিচি নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহে নিজ নিজ দলীয় প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰ অভিযান তীব্ৰ কৰি তুলিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি চিৰাং জিলাৰ বিজনী মহকুমাৰ ১৮ নম্বৰ মানস চেৰফাং পৰিষদীয় সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী সুভাষ বসুমতাৰীৰ হৈ নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰিব। দিনৰ ভাগত পৰিষদীয় সমষ্টিটোৰ অধীনৰ আনন্দ বজাৰৰ ৰাজহুৱা খেল-পথাৰত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰীৰ নিৰ্বাচনী প্ৰচাৰ সন্দৰ্ভত এয়া আমাৰ চিৰাং জিলাৰ সংবাদদাতা কুঞ্জ মোহন ৰায় –

ভইচকাষ্ট

মুখ্যমন্ত্ৰী ড° শৰ্মাই আজি মুছলপুৰ পৰিষদীয় সমষ্টিৰ বৰমাতো নিৰ্বাচনী প্ৰচাৰ চলাব। মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসৰ লগতে বিজেপিৰ কেইবাগৰাকী জ্যেষ্ঠ নেতাই বৰমা উচ্চ মাধ্যমিক বিদ্যালয়ত আয়োজিত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰিব।

মুখ্যমন্ত্ৰীয়ে কালি ওদালগুৰি জিলাত ভেৰগাঁও পৰিষদীয় সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী জৌশ্ৰাং বড়োৰ সমৰ্থনত ডিমাকুছিত নিৰ্বাচনী সভাত অংশ লয়। এই উপলক্ষে দিয়া ভাষণত ড° শৰ্মাই এইবাৰ বিটিচিত বিজেপি চৰকাৰ গঠনত সহায় কৰিবলৈ ৰাইজৰ প্ৰতি আহ্বান জনায়। বিটিচিত শান্তি আৰু উন্নয়নৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ নেতৃত্বত উগ্ৰপন্থী সমস্যাৰ সমাধান সম্ভৱ হৈছে বুলি উল্লেখ কৰি তেওঁ এই নিৰ্বাচনত বিজেপি জয়ী হ'লে নিবনুৱা

সমস্যা সমাধানৰ উপৰি বিটিআৰত মানৱ সম্পদ সৃষ্টিৰ বাবে কাম কৰিব বুলি মন্তব্য কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে আজি বিজেপিয়ে নিৰ্বাচনী ইস্তাহাৰ প্ৰকাশ কৰিব বুলি ঘোষণা কৰে। ডং শৰ্মাই তামুলপুৰ জিলাত গোৰেশ্বৰ পৰিষদীয় সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী দেৰহাছাৰ নাৰ্জাৰীৰ সমৰ্থনত প্ৰচাৰ সভাত অংশ লয়।

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে চিৰাং জিলাৰ থুৰিবাৰী পৰিষদীয় সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী তথা বিজনীৰ বিধায়ক অজয় কুমাৰ ৰায়ৰ সমৰ্থনত প্ৰচাৰ অভিযানত অংশ লয়।

ইপিনে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে কালি  মানস চেৰফাং পৰিষদীয় সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী অবিনাশ ব্ৰহ্মৰ সমৰ্থনত নিৰ্বাচনী প্ৰচাৰ চলায়।

বিপিএফৰ সভাপতি হাগ্ৰামা মহিলাৰীয়ে থুৰিবাৰী সমষ্টিৰ প্ৰাৰ্থী খলিলুৰ ৰহমানৰ সমৰ্থনত কালি এখন নিৰ্বাচনী সভাত ভাগ লয়। কোকৰাঝাৰ জিলাৰ ছালাকাটি পৰিষদীয় সমষ্টিত আজি বিটিআৰৰ মুৰববী প্ৰমোদ বড়োৱে ইউ পি পি এলৰ প্ৰাৰ্থী লৰেন্স ইছলাৰীৰ হৈ প্ৰচাৰ চলায়।

বিটিচি নিৰ্বাচনৰ বাবে ৰাজ্যিক নিৰ্বাচন আয়োগে ইতিমধ্যে ওজৰ-আপত্তি নিষ্পত্তি প'ৰ্টেল মুকলি কৰিছে। জনসাধাৰণে আদৰ্শ নিৰ্বাচনী আচৰণ বিধি-উলংঘাৰ বিষয়ে ফটো অথবা ভিডিঅ' প্ৰমাণসহ এই প'ৰ্টেলযোগে অৱগত কৰিব পাৰিব আৰু অভিযোগৰ স্থিতি সন্দৰ্ভত জানিব পাৰিব।

oooooo

স্বাধীনতা দিৱস উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ঐতিহাসিক লাল কিল্লাত প্ৰাচীৰৰ পৰা পোহৰৰ উৎসৱ দিপাৱলীৰ ভিতৰত পৰৱৰ্তী প্ৰজন্মৰ জি এছ টি সংস্কাৰৰ কথা ঘোষণা কৰিছে। তেওঁৰ এই দৃষ্টিভংগী বাস্তবায়িত কৰি ৩ ছেপ্তেম্বৰত জি এছ টি পৰিষদে জনসাধাৰণৰ জীৱন সুগম কৰি তোলাৰ উদ্দেশ্যে ভালেমান খণ্ডত আৰোপিত কৰ হ্ৰাস কৰিছিল আৰু একাংশ খণ্ডৰ কৰৰ বিলুপ্তি সাধন কৰিছিল। এই সন্দৰ্ভত শুনক আমাৰ প্ৰতিবেদন—

**পৰৱৰ্তী প্ৰজন্মৰ জি এছ টি সংস্কাৰৰ অধীনত চৰকাৰে ভালেমান অত্যাৱশ্যকীয় সামগ্ৰী কৰ শূন্য কৰি সাধাৰণ মানুহৰ বোজা লাঘৱৰ বাবে বৃহৎ পদক্ষেপ লৈছে। গাখীৰ, পেকেটত থকা খাদ্য-সামগ্ৰী, ব্ৰেণ্ড বিহনী চাউল, ঘেঁহু, দাইলকে ধৰি ভালেমান খাদ্য সামগ্ৰীক বৰ্তমান জি এছ টিৰ আওতাৰ বাহিৰত ৰখা হৈছে। একেদৰে সকলো ধৰণৰ ব্ৰেডক কৰ শূন্য কৰা হৈছে। চৰকাৰে  লগতে ৩৩ বিধ জীৱনৰক্ষী ঔষধৰ ওপৰত আৰোপিত কৰ সম্পূৰ্ণৰূপে প্ৰত্যাহাৰ কৰিছে আৰু ইয়াৰ ফলত স্বাস্থ্যখণ্ড অধিক শক্তিশালী হৈ উঠিব বুলি আশা কৰা হৈছে। শিক্ষাৰ্থীসকলৰ বোজা লাঘৱ কৰাৰ উদ্দেশ্যে সম্প্ৰতি তেওঁলোকে ব্যৱহাৰ কৰা বিভিন্ন ষ্টেচনাৰী সামগ্ৰীক কৰ আওটাৰ বাহিৰত ৰখা হৈছে। একেদৰে বস্ত্ৰখণ্ডত কেইবাবিধো সূতাক কৰৰ পৰা ৰেহাই দিয়া হৈছে।**

oooooo

আজি মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ ৪২৯ সংখ্যক তিৰোভাৱ তিথি। ১৪৮৯ চনত লখিমপুৰৰ নাৰায়ণপুৰত জন্ম হোৱা মহাপুৰুষজনাই শ্ৰীমন্ত শংকৰদেৱৰ সান্নিধ্যত দীঘলীয়া পৰিক্ৰমাৰে অসমীয়া সাহিত্য-সংস্কৃতিৰ ভঁৰাললৈ মেটমৰা অৱদান আগবঢ়াই থৈ গৈছে। মহাপুৰুষ মাধৱদেৱে নামঘোষাৰ লগতে বাৰকুৰি বৰগীত ৰচনা কৰিছিল। তেওঁ আদিকাণ্ড ৰামায়ণ, ৰাজসূয় কাব্য, জন্মৰহস্য, ভক্তি ৰত্নাৱলী, নাম মালিকা আদিৰো সৃষ্টিকৰ্তা। মহাপুৰুষজনাই ১৫৯৬ চনত কোচ বিহাৰত ইহলীলা সম্বৰণ কৰে। মহাপুৰুষ শ্ৰী শ্ৰী মাধৱদেৱৰ তিৰোভাৱ তিথি উপলক্ষে ৰাজ্যৰ সত্ৰ, নামঘৰসমূহত ভাগৱত পাঠ, নাম-প্ৰসংগৰ আয়োজন কৰা হৈছে। তিৰোভাৱ তিথিত গুৰুজনালৈ প্ৰণিপাত জনাই নামঘৰ, সত্ৰত পুৱাৰ পৰাই ভকত-বৈষ্ণৱ সমবেত হোৱা পৰিলক্ষিত হৈছে। শ্ৰীশ্ৰীমাধৱদেৱৰ জন্মস্থান লখিমপুৰৰ লেটেকু পুখুৰী, বৰদোৱা, বৰপেটা, সত্ৰ নগৰী মাজুলী, ঐতিহাসিক ঢেকীয়াখোৱা বৰনামঘৰ, গোৱালপাৰাৰ কেউলীয়া হাটী সত্ৰ আৰু শ্যামৰায় সত্ৰৰ লগতে গুৱাহাটী মহানগৰীৰ নামঘৰসমূহতো সাহিত্য-সংস্কৃতিৰ পূজাৰী, অসমীয়া জাতিৰ প্ৰাণ প্ৰতিষ্ঠাতা মহাপুৰুষজনাৰ তিথি উপলক্ষে নাম-প্ৰসংগৰ আয়োজন কৰা হৈছে। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই

তিৰোভাৱ তিথি উপলক্ষে গুৰুজনাক শ্ৰদ্ধাৰে স্মৰণ কৰিছে। এই উপলক্ষে দিয়া এটা বাৰ্তাত এই বুলি কয়, যে গুৰুজনাৰ পদধূলিৰে ধন্য পৱিত্ৰ অসমভূমিক অনাগত সময়ত অধিক শক্তিশালী আৰু সমৃদ্ধিশালী কৰি তুলিবলৈ সকলোৰে ঐক্যবদ্ধভাৱে আগবাঢ়ি যাব লাগিব। মহাপুৰুষগৰাকীৰ মহান জীৱনাদৰ্শ, সৃষ্টিৰাজি আৰু বাণীসমূহ সকলোৰে বাবে পথ-প্ৰদৰ্শকস্বৰূপ বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০

সদৌ অসম চুতীয়া ছাত্ৰ সন্থাৰ বিংশতিতম প্ৰতিষ্ঠা দিৱস আৰু জনগোষ্ঠীয় সাংস্কৃতিক সমাৰোহৰ মুকলি সভাত কালি জনজাতিকৰণক লৈ বিশেষ আলোচনা অনুষ্ঠিত হয়। সভাত অংশ লৈ মন্ত্ৰী অতুল বৰাই তেওঁৰ ভাষণত কয়, যে ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ বিষয়টোত ৰাজ্য চৰকাৰে গুৰুত্ব দিছে আৰু কেন্দ্ৰীয় চৰকাৰে এই ক্ষেত্ৰত সিদ্ধান্ত গ্ৰহণ কৰিব। ডিব্ৰুগড় জিলাৰ মৰাণত অনুষ্ঠিত সদৌ অসম চুতীয়া ছাত্ৰ সন্থাৰ প্ৰতিষ্ঠা দিৱসৰ সামৰণি অনুষ্ঠানত কালি বিভিন্ন জাতি-জনগোষ্ঠীৰ নেতাসকলে জনজাতিকৰণৰ বিষয়টোত চৰকাৰে হেমাহি কৰা বুলি অভিযোগ কৰে। অনুষ্ঠানত অংশ লৈ সাংস্কৃতিক মন্ত্ৰী বিমল বৰাই কয়, যে চুতীয়া জনগোষ্ঠীকে ধৰি অসমৰ সকলো খিলঞ্জীয়া জনগোষ্ঠীৰ বাবে ৰাজ্য চৰকাৰে বিভিন্ন উন্নয়নমূলক আঁচনি গ্ৰহণ কৰিছে। এই জনগোষ্ঠীকেইটাৰ জনজাতিকৰণৰ প্ৰতিবেদনক লৈ চৰকাৰে পৃথকে পৃথকে আলোচনা কৰি আছে বুলি শ্ৰী বৰাই উল্লেখ কৰে।

ইপিনে, ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ দিশত ৰাজ্য চৰকাৰ বহুখিনি আগবাঢ়িছে আৰু অহা নৱেম্বৰত এই সন্দৰ্ভত বিধানসভাত বিস্তৃত প্ৰতিবেদন দাখিল কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সাংবাদিকৰ আগত প্ৰকাশ কৰে।

০০০০০০

বাংলাদেশে যোৱা নিশা আবু ধাবিত অনুষ্ঠিত এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ বিৰ এখন খেলত হংকঙক ৭ উইকেটত পৰাস্ত কৰি ইতিহাস ৰছনা কৰে। টি-টুৱেণ্টি প্ৰতিযোগিতাৰ ইতিহাসত হংকঙৰ বিৰুদ্ধে এয়া বাংলাদেশৰ প্ৰথম জয়। দলটোৱে ১৪৪ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৭ অভাৰ ৪টা বলত তিনিটা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। বাংলাদেশৰ হৈ অধিনায়ক লিটন দাসে ৩৯টা বলত ৫৯ ৰান কৰে। ইয়াৰ আগেয়ে হংকঙে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেটৰ বিনিময়ত ১৪৩ ৰান সংগ্ৰহ কৰে। হংকঙৰ হৈ নিজাকট খানে ৪২ ৰান কৰে। লিটন দাসক প্লেয়াৰ অব্ দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

০০০০০০

News Paper Rev./RNU (12-09-2025) MORN

গোলকগঞ্জত আক্ৰাছুৰ প্ৰতিবাদী সমদলৰ ওপৰত আৰক্ষীৰ লাঠী চালনাৰ ঘটনাক লৈ তীব্ৰ প্ৰতিবাদ, তিনিচুকীয়া মৰাণ ছাত্ৰৰ বিশাল জোৰ সমদল, কাইলৈ মিজোৰামৰ ৰাষ্ট্ৰীয় ৰে'ল নেটৱৰ্কেৰে সংযোগ হোৱাৰ বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।

অসমীয়া প্ৰতিদিন কাকতে জনজাতিকৰণৰ দাবীত আক্ৰাছুৰে বুধবাৰে নিশা আক্ৰাছুৰে গোলকগঞ্জত উলিওৱা প্ৰতিবাদী সমদলৰ ওপৰত আৰক্ষীৰ লাঠীচালনাৰ প্ৰতিবাদত আহ্বান জনোৱা ১২ ঘণ্টীয়া বন্ধত কালি ধুবুৰী জিলা স্তব্ধ হৈ পৰা বাতৰি গণক্ষোভত উত্তাল ৰাজপথ শিৰোনামেৰে প্ৰকাশ কৰিছে। একেটা বাতৰিক দৈনিক অসম কাকতে গোলকগঞ্জৰ জুইত উত্তপ্ত অসম শিৰোনামেৰে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। আৰক্ষীৰ লাঠিচলনা ঘটনাৰ জেৰ টানি নিয়মীয়া বাৰ্তা কাকতে গোলকগঞ্জৰ অ'চিক নিলম্বন আৰু গৌৰীপুৰৰ অ'চিক ৰিজাৰ্ভ ক্ল'জত ৰখাৰ বাতৰি আলোকচিত্ৰ সহকাৰে প্ৰকাশ কৰিছে। কাকতখনে ছিপাঝাৰৰ নাৰিকলি অঞ্চলৰ ত্ৰিপল মাৰ্ডাৰৰ বাতৰিকো প্ৰথম পৃষ্ঠাত স্থান দিছে।

আমাৰ অসম কাকতে নেপালত অন্তৰৰ্তী চৰকাৰ গঠনক লৈ অচলাৱস্থা অব্যাহত থকাৰ বাতৰিক কোন হ'ব নেপালৰ অন্তৰৰ্তী প্ৰধানমন্ত্ৰী জেন জিত মতভেদ শিৰোনামেৰে প্ৰকাশ কৰিছে। দি আছাম ট্ৰিবিউন কাকতেও এই বাতৰিটোক মুখ্য বাতৰিত স্থান দিছে।

দৈনিক জনমভূমি কাকতে বাৰানসীত ভাৰত আৰু মৰিচাছৰ প্ৰধানমন্ত্ৰী মাজত হোৱা দ্বিপাক্ষিক বৈঠকৰ বাতৰি বিষদভাৱে প্ৰকাশ কৰিছে।

প্ৰধানমন্ত্ৰীৰ অসম ভ্ৰমণৰ প্ৰস্তুতি সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ বৈঠকৰ বাতৰিক অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

দৈনিক অগ্ৰদূত কাকতে নৱেম্বৰত বিধানসভাত জনজাতিকৰণৰ প্ৰতিবেদন দাখিল কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কৰা মন্তব্যৰে এটা বাতৰি প্ৰকাশ কৰিছে।

দ্যা ছেণ্টিনেল কাকতে ৰাজ্য চৰকাৰে মহাবিদ্যালয়সমূহত বৃত্তিমুখি পাঠ্যক্ৰমত গুৰুত্ব আৰোপ কৰাৰ বাতৰিক বক্স বাতৰি হিচাপে প্ৰকাশ কৰিছে।

oooooo

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৪ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৬ ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল প্ৰদেশ, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

oooooo

সমাপ্ত